**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 09-06-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। আমেৰিকালৈ যোৱা ভাৰতৰ সৰ্বদলীয় সংসদীয় প্ৰতিনিধি মণ্ডলৰ অন্তিমটো দলে উপ-ৰাষ্ট্ৰপতি জে ডি ভান্স আৰু উপ-বিদেশমন্ত্ৰী ক্ৰিষ্ট'ফাৰ লেণ্ডোক সাক্ষাৎ কৰাৰ পাছত তেওঁলোকৰ যাত্ৰাৰ সামৰণি মাৰিছে।

২। প্ৰবল বৰষুণ আৰু ভূমিস্খলনৰ ফলত উত্তৰ ছিকিমৰ ছাতেনত আবদ্ধ হৈ থকা ২৮ জন লোকৰ লগতে ২০ গৰাকী সেনা জোৱানক কালি হেলিকপ্টাৰেৰে উদ্ধাৰ কৰা হয়।

৩। আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে অখিল ভাৰতীয় আয়ুৰ্বেদ প্ৰতিষ্ঠানে তিনিদিনীয়াকৈ বিশেষ আয়েংগাৰ যোগ কৰ্মশালাৰ আয়োজন কৰিছে।

৪। টাইপেইত অনুষ্ঠিত টাইৱান এথেলেটিকছ্ অপেন চেম্পিয়নশ্বিপত ভাৰতীয় খেলুৱৈসকলে কালি ছটা সোণ, তিনিটা ৰূপসহ মুঠ ১০টা পদক জয় কৰে। *আৰু*

৫। স্পেইনৰ কাৰ্লোছ্ আলকাৰাজে বিশ্বৰ এক নম্বৰ স্থানত থকা খেলুৱৈ ইটালীৰ জানিক চিনাৰক পৰাস্ত কৰি ফ্ৰেন্স অপেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ একক শাখাৰ খিতাপ দখল কৰিছে।

ooooo

আমেৰিকালৈ যোৱা ভাৰতৰ সৰ্বদলীয় সংসদীয় প্ৰতিনিধি মণ্ডলৰ অন্তিমটো দলে উপ-ৰাষ্ট্ৰপতি জে ডি ভান্স আৰু উপ-বিদেশমন্ত্ৰী ক্ৰিষ্ট'ফাৰ লেণ্ডোক সাক্ষাৎ কৰাৰ পাছত তেওঁলোকৰ যাত্ৰাৰ সামৰণি মাৰিছে। পাকিস্তানৰ পৃষ্ঠপোষকতাত চলা সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দিয়াৰ বাবে ভাৰতৰ সংকল্পবদ্ধতাৰ বিষয়ে অৱগত কৰোৱাৰ উদ্দেশ্যে কংগ্ৰেছ সাংসদ শশী থাৰুৰৰ নেতৃত্বত এই সৰ্বদলীয় প্ৰতিনিধি দলটো আমেৰিকালৈ গৈছিল। সন্ত্ৰাসবাদৰ সৈতে পাকিস্তানৰ যোগাযোগ থকাৰ বিষয়ে আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ক অৱগত কৰোৱাৰ উদ্দেশ্যে সৰ্বদলীয় ৭টা প্ৰতিনিধি মণ্ডলক দায়িত্ব অৰ্পণ কৰি ৩৩ খন দেশৰ ৰাজধানীলৈ পঠোৱা হৈছিল। এই প্ৰতিনিধি মণ্ডলে ৩ জুনত আমেৰিকাৰ ৰাজধানী উপস্থিত হৈছিল আৰু তিনিদিনীয়া এই ভ্ৰমণকালত কেপিটেল হিলৰ লগতে ৱাশ্বিংটনতো কেইবাখনো বৈঠকত ভাগ লৈছিল। দলটোৱে আমেৰিকাৰ চৰকাৰী বিষয়া তথা সাংসদসকলক সীমান্তৰ সিপাৰৰ পৰা হোৱা সন্ত্ৰাসবাদ সন্দৰ্ভত ভাৰতৰ স্থিতি সম্পৰ্কে অৱগত কৰে। উপ-ৰাষ্ট্ৰপতি ভান্স আৰু লেণ্ডোক সাক্ষাৎ কৰাৰ উপৰি ভাৰতীয় দলটোৱে হাউছ ফৰেইন এফেয়াৰ্ছ, ইণ্ডিয়া ক'কছ আৰু ছিনেট ফৰেইন ৰিলেচনছ কমিটীৰ নেতৃবৃন্দৰ সৈতেও বৈঠকত মিলিত হয়। দলটোৱে যোৱা ২৪ মে'ত নিউয়ৰ্কত উপস্থিত হোৱাৰ পাছত গায়ানা, পানামা, ক'লম্বিয়া আৰু ব্ৰাজিল ভ্ৰমণ কৰাৰ পাছত অন্তিম পৰ্যায়ত ৱাশ্বিংটনত উপস্থিত হয়।

ooooo

প্ৰবল বৰষুণ আৰু ভূমিস্খলনৰ ফলত উত্তৰ ছিকিমৰ ছাতেনত আবদ্ধ হৈ থকা ২৮ জন লোকৰ লগতে ২০ গৰাকী সেনা জোৱানক কালি হেলিকপ্টাৰেৰে উদ্ধাৰ কৰা হয়। কালি চলোৱা দুটা উদ্ধাৰ

অভিযানত প্ৰথমতে শিশু, পৰ্যটন টেক্সি ড্ৰাইভাৰ, চৰকাৰী বিষয়াকে ধৰি ২৮ জন লোকক প্ৰথমটো খেপত উদ্ধাৰ কৰাৰ পাছত দ্বিতীয়বাৰত সেনা জোৱান ২০ গৰাকীক উদ্ধাৰ কৰি পাকিয়ং গ্ৰীনফিল্ড বিমান বন্দৰলৈ অনা হয়। MI-17 হেলিকপ্টাৰখনেৰে অঞ্চলটোত থকা সেনা জোৱানসকললৈ অত্যাৱশ্যকীয় সামগ্ৰীসমূহ লৈ যোৱা হয়। ছিকিম চৰকাৰে ভূমিস্খলনৰ ফলত বিভিন্ন অঞ্চলত আবদ্ধ হৈ থকা লোকসকলক নিৰাপদভাৱে স্থানান্তৰ কৰাৰ লগতে সাহায্য সামগ্ৰী যোগানৰ বাবে এই হেলিকপ্টাৰ সেৱাৰ ব্যৱস্থা কৰিছে। ভূমিস্খলন হোৱা অঞ্চলসমূহত এতিয়াও পথ যোগাযোগ ব্যাহত হৈ থকাৰ পৰিপ্ৰেক্ষিতত এই ব্যৱস্থা গ্ৰহণ কৰিবলগীয়া হৈছে। উল্লেখযোগ্য যে অঞ্চলটোত হোৱা প্ৰবল বৰষুণৰ ফলত বিভিন্ন অঞ্চলত ভূমিস্খলন হোৱাৰ লগতে পথ আৰু দূৰসংযোগ ব্যৱস্থা এতিয়াও ব্যাহত হৈ আছে।

ooooo

প্ৰবল বৰষুণ আৰু ভূমিস্খলনৰ ফলত উত্তৰ ছিকিমৰ ছাতেনত  আবদ্ধ হৈ থকা ২৮ জন লোকৰ লগতে ২০ গৰাকী সেনা জোৱানক কালি হেলিকপ্টাৰেৰে উদ্ধাৰ কৰা হয়। কালি চলোৱা দুটা উদ্ধাৰ অভিযানত প্ৰথমতে শিশু, পৰ্যটন টেক্সি ড্ৰাইভাৰ, চৰকাৰী বিষয়াকে ধৰি ২৮ জন লোকক প্ৰথমটো খেপত উদ্ধাৰ কৰাৰ পাছত দ্বিতীয়বাৰত সেনা জোৱান ২০ গৰাকীক উদ্ধাৰ কৰি পাকিয়ং গ্ৰীনফিল্ড বিমান বন্দৰলৈ অনা হয়। MI-17 হেলিকপ্টাৰখনেৰে অঞ্চলটোত থকা সেনা জোৱানসকললৈ অত্যাৱশ্যকীয় সামগ্ৰীসমূহ লৈ যোৱা হয়। ছিকিম চৰকাৰে ভূমিস্খলনৰ ফলত বিভিন্ন অঞ্চলত আবদ্ধ হৈ থকা লোকসকলক নিৰাপদভাৱে স্থানান্তৰ কৰাৰ লগতে সাহায্য সামগ্ৰী যোগানৰ বাবে এই হেলিকপ্টাৰ সেৱাৰ ব্যৱস্থা কৰিছে। ভূমিস্খলন হোৱা অঞ্চলসমূহত এতিয়াও পথ যোগাযোগ ব্যাহত হৈ থকাৰ পৰিপ্ৰেক্ষিতত এই ব্যৱস্থা গ্ৰহণ কৰিবলগীয়া হৈছে। উল্লেখযোগ্য যে অঞ্চলটোত হোৱা প্ৰবল বৰষুণৰ ফলত বিভিন্ন অঞ্চলত ভূমিস্খলন হোৱাৰ লগতে পথ আৰু দূৰসংযোগ ব্যৱস্থা এতিয়াও ব্যাহত হৈ আছে।

ooooo

সেৱা, সুশাসন আৰু দৰিদ্ৰ কল্যানৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ বিগত এটা দশকত দেশৰ আমূল পৰিৱৰ্তন সাধন হৈছে। আকাশবাণী বাতৰি সেৱা বিভাগে চৰকাৰে বিভিন্ন খণ্ডত যোৱা এঘাৰটা বছৰত চলোৱা প্ৰচেষ্টা সন্দৰ্ভত বিশেষ প্ৰতিবেদন প্ৰচাৰৰ দিহা কৰিছে। এনে প্ৰচেষ্টাৰ অংশ হিচাপে আজি উত্তৰ-পূব ভাৰতৰ বিকাশৰ যাত্ৰা সন্দৰ্ভত আলোকপাত কৰা হৈছে।

এটা সময়ত এই অঞ্চলটো দূৰৱৰ্তী অঞ্চল হিচাপে পৰিগণিত হৈছিল যদিও সম্প্ৰতি এই অঞ্চলটো প্ৰগতি আৰু সুচল যোগাযোগৰ  প্ৰতীক ৰূপে পৰিগণিত হৈছে। যোৱা এটা দশকত সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল বিচ্ছিন্ন অঞ্চলৰ পৰিৱৰ্তে ভাৰতৰ মূল ভূ-খণ্ডৰ এটা অংশলৈ ৰূপান্তৰিত হৈছে। এক্ট-ইষ্ট নীতি আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন এই অঞ্চলটো অৱহেলিত অঞ্চলৰ পৰা অগ্ৰাধিকাৰ অঞ্চললৈ পৰিৱৰ্তিত হৈছে। বিভিন্ন শান্তি চুক্তি স্বাক্ষৰ হোৱাৰ পাছত অঞ্চলটোত উগ্ৰপন্থীৰ কাৰ্যকলাপ হ্ৰাস পাই শান্তি স্থাপন হোৱাৰ লগতে AFSPAৰ অন্তৰ্ভুক্ত এলেকাৰ পৰিধিও হ্ৰাস কৰা হৈছে। শেহতীয়াকৈ অসম আৰু অৰুণাচল প্ৰদেশৰ মাজত কেইবা দশক পুৰণি সীমা সমস্যা সমাধানৰ উদ্দেশ্যে এখন বুজাবুজি চুক্তি স্বাক্ষৰিত হৈছে। ইপিনে যোগাযোগৰ ক্ষেত্ৰতো অভূতপূৰ্ব উন্নয়ন সাধন হৈছে। মিজোৰামত ৰে'ল যোগাযোগৰ লগতে ১০টা সেউজ বিমান বন্দৰ, ব্ৰহ্মপুত্ৰৰ ওপৰত ৰ'-ৰ' ফেৰী সেৱা আদিয়ে আহ-যাহ সুচল কৰি তুলিছে। বগীবিল দলঙৰ দ্বাৰা প্ৰকল্পসমূহে এসময়ৰ ভিতৰুৱা অঞ্চলসমূহৰ সৈতেও যোগাযোগ উন্নত কৰিছে। আনহাতে পিএম-ডিভাইন আৰু উন্নতি-২০২৪ৰ দৰে আঁচনিসমূহেও নতুন অৰ্থনৈতিক সম্ভাৱনাও কঢ়িয়াই

আনিছে। এক লাখ কোটি টকাতকৈও অধিক ধন ব্যয়ৰে অব্যাহত থকা বিভিন্ন প্ৰকল্পসমূহে অঞ্চলটোৰ আন্তঃগাঁথনি আৰু জীৱন জীৱিকাৰ মানো উন্নত কৰিছে।

ooooo

আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে অখিল ভাৰতীয় আয়ুৰ্বেদ প্ৰতিষ্ঠান এ আই আই এয়ে তিনিদিনীয়াকৈ বিশেষ আয়েংগাৰ যোগ কৰ্মশালাৰ আয়োজন কৰিছে। আজিৰে পৰা অহা বুধবাৰলৈকে প্ৰতিদিনে দিনৰ ২ বজাৰ পৰা ৩ বজালৈ এই কৰ্মশালা অনুষ্ঠিত হ'ব। লাইফ যোগা চেণ্টাৰৰ প্ৰসিদ্ধ আয়েংগাৰ যোগ শিক্ষক অমিত শৰ্মাৰ নেতৃত্বত আয়েংগাৰ পৰম্পৰা অনুসৰি বিভিন্ন শাৰীৰিক মুদ্ৰা আৰু মানসিক স্বাস্থ্য উন্নত কৰাৰ দিশত বিশেষভাৱে মনোযোগ দিয়া হ'ব। এই কৰ্মশালাত অখিল ভাৰতীয় আয়ুৰ্বেদ প্ৰতিষ্ঠানৰ সৈতে জড়িত ছাত্ৰ-ছাত্ৰী তথা বিদ্বান লোকসকলৰ লগতে যোগৰ প্ৰতি আগ্ৰহী লোকসকলে অংশগ্ৰহণ কৰিব পাৰিব। আগ্ৰহী লোকসকলে পঞ্জীয়নৰ বাবে ড০ ৰাম অৱতাৰ শৰ্মালৈ dr.rsharma@aiia.gov.inত ইমেইল কৰিব পাৰে। এ আই আই এৰ সঞ্চালক প্ৰফেচাৰ মঞ্জুসা ৰাজা গোপালাই কয়, যে এই যোগ সমাৱেশে সকলোৰে বাবে যোগক সুলভ কৰাৰ উদ্দেশ্যে প্ৰতিষ্ঠানটোৰ দায়বদ্ধতাকে প্ৰদৰ্শন কৰে।

ooooo

নাছাৰ কেনেডি মহাকাশ ষ্টেচনৰ পৰা কাইলৈ AXIOM-4 মিছন ভাৰতীয় সময় অনুসৰি কাইলৈ পুৱা ৫ বাজি ৫২ মিনিটত উৎক্ষেপণ কৰা হ'ব। এই অভিযানত ১৪ দিনৰ বাবে ভাৰত-আমেৰিকা-পোলেণ্ড আৰু হাংগেৰীৰ চাৰিজন মহাকাশচাৰীক আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰৰ ল'-আৰ্থ অৰবিটলৈ প্ৰেৰণ কৰা হ'ব। ১৯৮৪ চনত ৰাকেশ শৰ্মাই মহাকাশ যাত্ৰাৰ কৰাৰ পাছত ভাৰতৰ শুভাংশু শুক্লা দ্বিতীয়জন ভাৰতীয় হিচাপে মহাকাশলৈ যাব।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰ কালি সপ্তাহযোৰা ভ্ৰমণসূচীৰে ফ্ৰান্স, ইউৰোপীয় সংঘ আৰু বেলজিয়ামলৈ গৈছে। এই ভ্ৰমণৰ সময়ছোৱাত বৈদেশিক মন্ত্ৰীগৰাকীয়ে ফ্ৰান্সৰ পেৰিছত দেশখনৰ বিদেশ মন্ত্ৰী জ্যান নৰেল বেৰোটৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। শ্ৰীজয়শংকৰে দেশখনৰ আন আন জ্যেষ্ঠ নেতাৰ সৈতে বৈঠকত মিলিত হোৱাৰ লগতে বুদ্ধিজীৱি আৰু সংবাদ মাধ্যমৰ সৈতেও মত বিনিময় কৰিব। ইউৰোপ ভ্ৰমণৰ সময়ছোৱাত শ্ৰীজয়শংকৰে ইউৰোপীয় সংঘৰ শীৰ্ষ প্ৰতিনিধি আৰু উপৰাষ্ট্ৰপতি কাজাকাল্লাচৰ সৈতে কূটনৈতিক আলোচনাত মিলিত হ'ব। মন্ত্ৰীগৰাকীয়ে ইউৰোপৰ সংসদ আৰু আয়োগৰ জ্যেষ্ঠ নেতাসকলৰ সৈতেও মিলিত হোৱাৰ কথা। বেলজিয়াম ভ্ৰমণৰ সময়ছোৱাত ড° জয়শংকৰে দেশখনৰ উপ-প্ৰধানমন্ত্ৰী আৰু বিদেশ মন্ত্ৰী মেগজিম প্ৰিবতৰ সৈতে দ্বিপাক্ষিক বিষয় লৈ মত বিনিময় কৰাৰ লগতে জ্যেষ্ঠ নেতাসকলকো সাক্ষাৎ কৰিব। তেওঁ দেশখনত থকা ভাৰতীয় মূলৰ লোকসকলকো সাক্ষাৎ কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিত কৈছে যে ড° জয়শংকৰৰ এই ভ্ৰমণে ইউৰোপীয় সংঘ, ফ্ৰান্স আৰু বেলজিয়ামৰ সৈতে বিভিন্ন ক্ষেত্ৰত থকা দ্বিপাক্ষিক বন্ধুত্বমূলক সম্পৰ্ক আৰু অধিক সুদৃঢ় কৰিব।

ooooo

**আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ১২ খন দেশৰ নাগৰিকক আমেৰিকাত প্ৰৱেশৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰা নিৰ্দেশনা আজিৰ পৰা কাৰ্যকৰী হ'ব । আমেৰিকাত প্ৰৱেশ কৰাৰ ক্ষেত্ৰত নিষিদ্ধতা আৰোপ কৰা দেশ কেইখন হৈছে- আফগানিস্তান, চাড, কংগো,**

ইকুৱেটৰিয়েল গিনি, ইৰিত্ৰিয়া, হাইটি, ইৰাণ, লিবিয়া, ম্যানমাৰ, ছোমালিয়া, চুডান আৰু য়েমেন। বুৰুণ্ডি, কিউবা, লাওছ, ছিয়েৰা লিয়ন, ট’গো, তুৰ্কমেনিস্তান আৰু ভেনিজুৱেলাৰ নাগৰিকসকলৰ আমেৰিকা ভ্ৰমণৰ ওপৰত আংশিক নিষেধাজ্ঞা আৰোপ কৰা হৈছে। ট্ৰাম্প প্ৰশাসনে জনোৱা মতে ৰাষ্ট্ৰীয় নিৰাপত্তাৰ প্ৰতি সৃষ্টি হোৱা ভাবুকিৰ প্ৰতি লক্ষ্য ৰাখি এই সিদ্ধান্ত লোৱা হৈছে।

০০০০০

টাইপেইত অনুষ্ঠিত টাইৱান এথেলেটিকছ্ অপেন চেম্পিয়নশ্বিপৰ দ্বিতীয় তথা অন্তিম দিনা কালি ভাৰতীয় খেলুৱৈসকলে ছটা সোণ, তিনিটা ৰূপসহ মুঠ ১০টা পদক জয় কৰে। মহিলাৰ ৪০০ মিটাৰ হাৰ্ডলছত তিনিবাৰৰ ৰাষ্ট্ৰীয় চেম্পিয়ন বিথ্যা ৰামাৰাজে, জেভলিনত ৰোহিত যাদৱে, মহিলা আৰু পুৰুষৰ ৮০০ মিটাৰত ক্ৰমে পূজা আৰু কৃষ্ণন কুমাৰ আৰু মহিলাৰ জেভলিনত অন্নু ৰাণীয়ে সোণৰ পদক দখল কৰে।

০০০০০

টেনিছত স্পেইনৰ কাৰ্লোছ আলকাৰাজে যোৱা নিশা বিশ্বৰ ১ নম্বৰ স্থানত থকা খেলুৱৈ ইটালীৰ জানিক চিনাৰক পাঁচ ছেটত পৰাস্ত কৰে। ইয়াৰ পূৰ্বে দুটা ছেট পিছপৰি তিনিটা চেম্পিয়নশ্বিপ পইণ্টৰ সন্মুখীন হোৱা বৰ্তমানৰ চেম্পিয়ন আলকাৰাজে পৰাজয়ৰ দিশে অগ্ৰসৰ হৈছিল। কিন্তু গ্ৰেণ্ড শ্লেমৰ ইতিহাসৰ অন্যতম ৰোমাঞ্চকৰ ফাইনেল খেলখনত ৪-৬, ৬-৭, ৬-৪, ৭-৬, ৭-৬ চেটত ২২ বছৰীয়া স্পেনিছ খেলুৱৈগৰাকীয়ে অৱশেষত জয়লাভ কৰে। ইয়াৰ লগে লগে আলকাৰাজে দ্বিতীয়টো ৰ’লেণ্ড গাৰোছৰ মুকুট নিশ্চিত কৰাৰ লগতে একেৰাহে পাঁচখন ফাইনেলত অপৰাজিত হৈ পঞ্চমটো গ্ৰেণ্ড শ্লেম খিতাপো নিশ্চিত কৰিছে। ইয়াৰ পূৰ্বে চাৰা এৰানি আৰু জেচমিন পাওলিনীৰ ইটালীৰ যুটিটোৱে মহিলাৰ ডাবলছত জয়লাভ কৰে। ফাইনেলত এই যুটিটোৱে কাজাখস্তানৰ আন্না ডানিলিনা আৰু ছাৰ্বিয়াৰ আলেকজেন্দ্ৰা ক্ৰুনিকৰ যুটিটোক ৬-৪, ২-৬, ৬-১ ছেটত পৰাস্ত কৰি বিজয়ীৰ খিতাপ দখল কৰে।

০০০০০

সমাপ্ত